প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

# ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি আৰু শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনিৰ অধীনত মুঠ ১৪,২৬,৬২৮ গৰাকী হিতাধিকাৰীলৈ ১০৩.০৬ কোটিতকৈ অধিক টকাৰ পেন্সন মুকলি

**গুৱাহাটী ১০ ডিচেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিক নিৰ্দেশনাত ৰাজ্য চৰকাৰে নিজা পুঁজিৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰাজ্যৰ বিধৱাসকলৰ বাবে যোৱা এপ্ৰিল মাহত সাৰ্বজনীনভাৱে আৰম্ভ কৰা ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এতিয়ালৈ ১,৬৯,৯৩০ গৰাকী হিতাধিকাৰী লাভান্বিত হৈছে। এই আঁচনিৰ অধীনত চলিত সপ্তাহত ৫৭০.৯১৮ লাখ টকাৰ পেন্সন মুকলি কৰি দিয়া হয়।

আনহাতে ৰাজ্যখনৰ আন কোনো পেন্সন লাভ নকৰা জ্যেষ্ঠ নাগৰিকসকলৰ বাবে ৰাজ্য চৰকাৰে নিজা পুঁজিৰে গ্ৰহণ কৰা আন এখন আঁচনি শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনিৰ অধীনত এতিয়ালৈ ১২,৫৬,৬৯৮ গৰাকী হিতাধিকাৰী উপকৃত হৈছে। চলিত সপ্তাহত তেওঁলোকলৈ সৰ্বমুঠ ৯৭৩৫.৪৬৪ লাখ টকাৰ পেন্সন মুকলি কৰি দিয়া হয়। এনেদৰে দুয়োখন আঁচনিৰ অধীনত চলিত সপ্তাহত সৰ্বমুঠ ১৪,২৬,৬২৮ গৰাকী হিতাধিকাৰীলৈ মুঠ ১০৩.০৬ কোটিতকৈও অধিক টকাৰ পেন্সন মুকলি কৰি দিয়া হৈছে।

আনহাতে বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ তৎপৰতাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে ৰূপায়ণ কৰি থকা অন্য প্ৰতিখন পেন্সন আঁচনিৰ অধীনতো হিতাধিকাৰীসকললৈ পোনপটীয়াকৈ তেওঁলোকৰ একাউণ্টত পেন্সন প্ৰদান কৰি থকা হৈছে।

উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে নিজা পুঁজিৰে আৰম্ভ কৰা ওপৰত উল্লেখিত সাৰ্বজনীন বিধৱা পেন্সন আঁচনিখনৰ জৰিয়তে অন্য কোনো চৰকাৰী আঁচনিৰ অধীনত পেন্সন লাভ নকৰা ১৮ ৰ পৰা ৫৯ বছৰ বয়সৰ বিধৱাসকলক প্ৰতিমাহে ৩০০ টকাকৈ পেন্সন প্ৰদান কৰাৰ বিপৰীতে শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনিৰ অধীনত ২৫০ টকাকৈ পেন্সন প্ৰদান কৰা হয়। এই আঁচনিৰ অধীনত পেন্সন লাভ কৰিবৰ বাবে বাকী থকা যোগ্য হিতাধিকাৰীসকলকো আগবাঢ়ি আহিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে আহ্বান জনাইছে।

*এম আৰ ডি/১০-১২-২০২০*